# এখন নেদেখা নদীৰ কথাৰে...

**কিংবদন্তি** | জিতুমণি পাঠক

জ্ঞানচক্ষু মুকলি হোৱাৰ পিছৰেপৰা মানৱে পৰিচিত হৈছিল নদীৰ মমতাময়ী ৰূপৰ সৈতে। জীৱনদায়িনী নদীৰ সৈতে মানৱৰ গঢ়ি উঠিছিল এক আত্মিক সম্পৰ্ক। এই সম্পৰ্কই মানৱক কাষ চপাই নিছিল নদীৰ কাষলৈ। গঢ়ি উঠিছিল মানৱৰ কৃষ্টিৰ পথাৰ নদীৰ দুয়োপাৰে; নদীক কেন্দ্ৰ কৰি। নদীয়েও মানৱক আঁকোৱালি লৈছিল মাতৃৰ মমতাৰে। মাতৃত্বৰ মমতাৰে সিক্ত নদীৰ বোকোচাত উঠি মানৱৰ সভ্যতা-সংস্কৃতিৰ বিকাশ ঘটিছিল দোপত-দোপে। আধ্যাত্মতাবাদেৰে পুষ্ট ভাৰতীয় সভ্যতা-সংস্কৃতিত নদী হৈ পৰিছিল দেৱীস্বৰূপ। কেতিয়াবা মাতৃত্বৰ স্নেহেৰে বুৰাই পেলোৱা, কেতিয়াবা সংহাৰী ৰূপ ধাৰণ কৰি পৃথিৱীলৈ ভয়াৱহ বিপৰ্যয় নমাই অনা নদীৰ প্ৰতি মানৱৰ মনত সৃষ্টি হৈছিল এক শ্ৰদ্ধা, ভয় মিশ্ৰিত আৱেগৰ। বৈদিক যুগত সেয়েহে নদীক দেৱীৰ মৰ্যাদা প্ৰদান কৰি আৰম্ভ হৈছিল পূজা-অৰ্চনাৰ।


সৃষ্টিৰ লগে লগে যেন নদীয়ে ঠিক কৰি লৈছে তাৰ ধৰ্মৰ; নিৰৱচ্ছিন্নভাৱে বৈ যোৱাৰ, বুকুৰ উপত্যকাত পলসুৱা সভ্যতা-সংস্কৃতিৰ পথাৰ গঢ়ি তোলাৰ। তাৰ পিছতো মানৱৰ দৃষ্টিত কোনো নদী হৈ পৰে অধিক শক্তিশালী, অধিক পূজ্য, অধিক পৱিত্ৰ। সৰস্বতী হ'ল তেনে এখন আধিক্যৰে ভৰা নদীৰ নাম। চাৰি বেদৰ লগতে মহাভাৰততো আন বহু নদীৰ সৈতে বহুবাৰ উচ্চাৰিত হৈছে এই নদীৰ নাম। কিন্তু ঋগবেদৰ মতে সকলোবোৰ নদীৰ ভিতৰতে শ্ৰেষ্ঠতম হ'ল এই সৰস্বতী। সৰস্বতী নদীৰ বুকুৰপৰা ফোৱাৰা বয় দুগ্ধ আৰু ঘিৰ; যাক পান কৰি পুষ্ট হৈ উঠে দুয়োপাৰে বাস কৰা মানৱ সন্তান। সৰস্বতী নদীৰ পানীত স্নান কৰি মানুহ হৈ পৰে পৱিত্ৰ; নাশ হয় পূৰ্ব আৰ্জিত সকলো পাপৰ।

ঋগবেদ অনুযায়ী সৰস্বতী নদীৰ জন্ম হৈছিল গিৰিৰাজ হিমালয়ৰ বুকুত। তাৰপৰা খৰস্ৰোতাৰূপ ধাৰণ কৰি যমুনা আৰু শতদ্ৰু নদীৰ মাজেৰে বৈ আহিছিল ভৈয়ামলৈ; চুই গৈছিল পাঁচটা জনগোষ্ঠীক, বহু ৰজা-মহাৰজাৰ বিশাল সাম্ৰাজ্যক, পৰ্বত-




পাহাৰক। আৰু এটা সময়ত এই পৰিক্ৰমাৰ অন্ত পৰিছিল মহাসাগৰৰ বিশাল বক্ষত। হিমালয়ৰপৰা আৰম্ভ কৰি সাগৰৰ বক্ষত জাহ যোৱালৈ এই দীৰ্ঘলীয়া পৰিক্ৰমাত সৰস্বতীয়ে সামৰি লৈছিল এক বিশাল মাটিকালি। যিফালেই সৰস্বতীৰ ধাৰ বৈ গৈছিল সিয়েই পৰিণত হৈছিল একোখন পুণ্য ভূমিলৈ। বৈদিক-মহাকাব্যিক যুগত এই নদীৰ সৈতে মানৱৰ যে এক পৱিত্ৰ সম্পৰ্ক গঢ় লৈ উঠিছিল তাৰ তথ্য সেই সময়ৰ অভিলেখ লিখিত বিৱৰণিত মজুত আছে। কিন্তু হঠাতে যেন উত্তৰ-পশ্চিম ভাৰতৰ এক বৃহৎ অংশ টোৱাই ধীৰ-গম্ভীৰভাৱে বৈ থকা

সৰস্বতীৰ স্ৰোত ক'ৰবাত হেৰাই থাকিল। বৈদিক আৰু মহাকাব্যিক যুগৰ কিছু গ্ৰন্থত সৰস্বতীৰ স্পষ্ট বৰ্ণনা থাকিল যদিও পৰৱৰ্তী সময়ৰ কাব্যবোৰত সৰস্বতীৰ বিষয়ে ক'বলৈ সেই গ্ৰন্থবোৰেই হৈ থাকিল আধাৰস্বৰূপ, কিয়নো বাস্তৱত তেতিয়া সৰস্বতী হৈ পৰিছিল অস্তিত্বহীন। সময়ৰ পৰিৱৰ্তনৰ লগে লগে অধিক যুক্তিবাদী হৈ পৰা মানুহবোৰে লাহে লাহে সৰস্বতীৰ অস্তিত্ব সম্পৰ্কেও সন্দেহ প্ৰকাশ কৰিবলৈ ল'লে। সঁচাকৈয়ে বাৰু আছিল নে সৰস্বতী নামৰ কোনো এক নৈ, যাৰ দুপাৰে এদিন গঢ় লৈ উঠিছিল ভাৰতীয় সভ্যতা-সংস্কৃতিৰ উৰ্বৰ পথাৰ! সঁচাকৈয়ে যদি আছিল, ক'ত হেৰাল, কিয় হেৰাল সেই নৈ! নে বৈদিক যুগৰ কোনোবা কবিৰ কাপেৰে নিৰ্গত সেয়া এক কল্পনাৰ স্ৰোত যাৰ আঁত ধৰি পৰৱৰ্তী সময়ৰ লেখকৰ কল্পনাত সি লাভ কৰিছিল পৱিত্ৰ তথা বিশালায়তনিক অৱয়ৱ!



আধুনিক সময়ত সৰস্বতীক লৈ স্পষ্ট দুটা গোটৰ সৃষ্টি হ'ল। এটা গোট, যিয়ে বিশ্বাস কৰে সৰস্বতী এখন কিংবদন্তিমূলক নৈ, যাৰ কোনো বাস্তৱ অস্তিত্ব নাই। ই জীয়াই আছে কেৱল পৌৰাণিক গ্ৰন্থসমূহত আৰু লোক-কাহিনীবোৰত। আনহাতে, আনটো গোট যি ধৰ্মীয় ভাবধাৰাৰে সম্পৃক্ত তেওঁলোকে দৃঢ়ভাৱে বিশ্বাস কৰে যে সৰস্বতী পূৰ্বতেও আছিল আৰু এতিয়াও আছে। হিন্দুসকলৰ অন্যতম পৱিত্ৰ স্থান বুলি গণ্য কৰা 'প্ৰয়াগ' হৈছে তিনিখন নদীৰ সংগমস্থল— গংগা, যমুনা আৰু সৰস্বতীৰ। গংগা, যমুনা বৰ্তমান, কিন্তু সৰস্বতী ক'ত? এই গোটৰ লোকসকলে বিশ্বাস কৰে অদৃশ্যৰূপে বৈ অহা সৰস্বতী, গংগা-যমুনাৰ মিলনস্থলতে মিলিত হৈ প্ৰয়াগক পৰিণত কৰিছে এখন দেৱধামলৈ। সৰস্বতীৰ পূৰ্বৰ ৰূপ আজি বিদ্যমান নহয় যদিও ই অদৃশ্যভাৱে বৈ আছে আগৰ দৰেই নিৰৱধি।

## এখন অদৃশ্য নদীৰ সংকল্পনা

নদী এখন বাৰু অদৃশ্যভাৱে বৈ থাকিব পাৰেনে! দেখাত উদ্ভট যেন লগা এই কথাখিনিৰ মাজতেই কিন্তু কিছুমানে বিচাৰি পালে ভাৱনাৰ নতুন থল। খোল খালে চিন্তাৰ অনেক দ্বাৰ। বৈদিক মহাকাব্যিক যুগত বৰ্ণিত গংগা-যমুনাৰ অস্তিত্ব যদি আজিও বিদ্যমান হৈ আছে তেন্তে সেই সময়ৰে আন এখন বহুল বৰ্ণিত নদী সৰস্বতীৰ অস্তিত্ব নথকাৰ থল ক'ত? সেই সময়তে আন কিছুমান পৌৰাণিক তথ্যই পুষ্টি কৰিলে যে সৰস্বতী নৈখন এদিন হেৰাই গৈছিল মৰুভূমিৰ বালিৰ মাজত। এই নতুন তথ্যই বিজ্ঞানীসকলক সৰস্বতী নৈৰ উৎস সম্পৰ্কে জানিবলৈ আকৰ্ষিত কৰিলে, কিয়নো বিশাল পানীভাগ কঢ়িয়াই নিৰৱচ্ছিন্নভাৱে বৈ থকা নদী এখনক জানো মৰুভূমিৰ শুষ্কতাই ইমান সহজে গিলি পেলাব পাৰে! নে কোনো প্ৰাকৃতিক ঘটনাই শুহি নিছিল উৎসৰ শৌৰ্য— যাৰ ফলত সৰস্বতী হৈ পৰিছিল এদিন মৃত। কিন্তু অদৃশ্য নৈৰ সংকল্পনাই নিৰ্দেশ কৰে ঐখন জীৱিত নৈৰ সম্ভাৱনা। যদি সৰস্বতী এতিয়াও জীৱন্ত তেন্তে ই সম্ভাৱনা প্ৰকট কৰে সৰস্বতী বৈ আছে ভূগৰ্ভৰ মাজেৰে, যি আনৰ চকুত দৃশ্যমান নহয়। কোনটো সঁচা, কোনটো মিছা তাকে প্ৰমাণ কৰাৰ বাবে প্ৰয়োজন হৈ পৰিল প্ৰাচীন সেই নৈখনৰ সন্ধান উলিওৱাৰ। এই সম্পৰ্কে সামান্য ক্লু এটা দি থৈ গৈছিল ইংৰাজ অভিযন্তা চি এফ অল্ডহেমে ১৮৯৩ চনতে। অল্ডহেমৰ এই আৱিষ্কাৰ অৱশ্যে কোনো পৰিকল্পিত অনুসন্ধানৰ ফল নাছিল। ই আছিল তেনেই আকস্মিক। অল্ডহেমে এবাৰ ৰাজস্থানৰ এখন শীৰ্ণকায় নৈ ঘাগৰৰ পাৰে পাৰে গৈ থাকোঁতে লক্ষ্য কৰিলে যে ঠায়ে ঠায়ে এই সৰু নৈখনৰ বেদীকা প্ৰায় তিনি কিলোমিটাৰমান দূৰলৈ বিস্তৃত হৈ পৰিছে। এখন সৰু নদীয়ে ইমান বিশাল বেদীকা সৃষ্টি কৰাটো সামঞ্জস্যহীন ঘটনা। তেতিয়াই তেওঁৰ মনলৈ আহিছিল যে ঘাগৰে নিশ্চয় কোনো প্ৰাচীন মৃত নৈৰ পথক অনুসৰণ কৰিছে। কিন্তু কি সেই প্ৰাচীন নৈ যাৰ উপত্যকা বিস্তৃত হৈ আছিল এক বিশাল অঞ্চলজুৰি! পৌৰাণিক তথ্যসমূহ বিশ্লেষণ কৰি দেখা গ'ল ঋগবেদ বা তাৰ পিছৰ পৰ্যায়ৰ লেখাবোৰত যিবোৰ ঠাইৰে সৰস্বতী প্ৰৱাহিত হৈছিল বুলি কোৱা হৈছে তেনে কিছু ঠাই চুই গৈছে আজিৰ শীৰ্ণকায় ঘাগৰে। ইয়াৰ অৰ্থ এয়ে যে ঘাগৰ আন কোনে নহয়, সৰস্বতীৰেই পথ অনুসৰণ কৰিছে। তদুপৰি ঘাগৰৰ আশে-পাশেই পৰৱৰ্তী সময়ত আৱিষ্কৃত হ'ল এশতকৈও অধিক পুৰাতাত্ত্বিক স্থান, যাৰ ভিতৰত ব্ৰঞ্জ যুগৰ কালিবাংগানৰ দৰে নগৰীয়া সভ্যতাও আছে। প্ৰাচীন নগৰীয়া সভ্যতাবোৰ গঢ়ি উঠিছিল বৃহৎ বৃহৎ নৈক কেন্দ্ৰ কৰি। গতিকে আজিৰ সময়ত এই অঞ্চলত কোনো বৃহৎ নদী নাথাকিলেও সেই সভ্যতাসমূহ গঢ়ি উঠাৰ সময়ত তাত যে কোনো বৃহৎ নদীৰ অস্তিত্ব আছিল সেয়া ধ্ৰুৱ। আৰু সেয়ে যদি হয় তেন্তে সেই নৈ যিমানদূৰ সম্ভৱ সৰস্বতী হোৱাৰ সম্ভাৱনাই প্ৰবল।

সৰস্বতী কোনো কল্পনাপ্ৰসূত জলস্ৰোতৰ নাম নহয়, বৰং সঁচাকৈয়ে ই প্ৰাচীন ভাৰতভূমিত বৈ থকা এখন নৈ— এই ধাৰণাটো যেতিয়া লাহে লাহে দৃঢ় হৈ আহিল তেতিয়াই আন এক উৎসুকতাই গা কৰি উঠিল যে সঁচাকৈয়ে সৰস্বতী নদীখন এদিন মৰি থাকিল নে এতিয়াও ই ভূ-ভাগৰ তলেৰে বৈ আছে নীৰৱে! এইবাৰ প্ৰকৃতাৰ্থত আৰম্ভ হ'ল সৰস্বতীৰ সন্ধানত বৈজ্ঞানিক অনুসন্ধান। ইণ্ডিয়ান ৰিমট চেন্সিং চেণ্টাৰে গ্ৰহণ কৰা উপগ্ৰহীয় ছবিত স্পষ্টভাৱে ধৰা দিলে এখন প্ৰাচীন মৃত নদীয়ে। সিন্ধু নদীৰ সমান্তৰালভাৱে বৈ যোৱা সেই নদীয়ে ৰাজস্থানৰ থৰ মৰুভূমি অতিক্ৰম কৰি আৰব সাগৰত মিলিত হৈছেগৈ। উপগ্ৰহীয় ছবিৰপৰা প্ৰাপ্ত চিত্ৰ তথা মানচিত্ৰৰপৰা বুজিব পৰা গ'ল এই নদীৰ আকৃতি অতিকে বিশাল আছিল কিয়নো ঠায়ে ঠায়ে ইয়াৰ উপত্যকা প্ৰায় আঠ কিলোমিটাৰ দূৰলৈ বিস্তৃত হৈ আছিল। কিন্তু সৰস্বতী বুলি অনুমান কৰা এই নদী যে এতিয়াও জীৱন্ত হৈ আছে সেই কথা ইমান বিশ্বাসযোগ্য নহয়। লিখিত তথ্যসমূহেও এই কথা পুষ্টি কৰে যে খ্ৰীঃ পূঃ ৫০০০ বছৰৰপৰা খ্ৰীঃ পূঃ ৩০০০ মান বছৰ আগেয়ে এই নদীৰ মৃত্যু ঘটিছিল। সৰস্বতী নদী বৈ যোৱা অঞ্চলৰ ঠায়ে ঠায়ে এতিয়াও ভূ-গৰ্ভত সঞ্চিত জলৰ সন্ধান পোৱা গৈছে। সেই পানীভাগৰ খুবেই নিম্নহাৰত গতিও লক্ষ্য কৰা হৈছে। কিন্তু বিজ্ঞানীসকলৰ মতে, এই কথাই এইটো সূচিত নকৰে যে সৰস্বতী এতিয়াও প্ৰাচীন উৎসৰ সৈতে সংযোজিত হৈ আছে। গতিকে 'জীৱন্ত সৰস্বতী'ৰ ধাৰণাটো মোটামুটিভাৱে নাকচ কৰিব পৰা বিধৰ বুলি বিজ্ঞানীসকলে মতপোষণ কৰিছে।

## কিদৰে শুকাই গ'ল সৰস্বতীৰ গৰিমা!

হিমালয়ৰ বুকুৰপৰা বিশাল পানীভাগ কঢ়িয়াই ধীৰ-স্থিৰ গতিৰে সাগৰলৈ গতি কৰা সৰস্বতীৰ মৃত্যু সকলোৰে বাবে এক আশ্চৰ্যৰ বিষয়। ধৰ্মীয় ভাৱাপন্ন লোকৰ বাবে হয়তো এয়া কোনো কোপিত দেৱতাৰ অভিশাপৰ ফল। কিন্তু বৈজ্ঞানিক মতবাদ অনুযায়ী পৃথিৱীত সঘনে ঘটি থকা বিভিন্ন প্ৰাকৃতিক পৰিঘটনাৰ কোনো এটা কাৰকে হয়তো মৃত্যু ঘটালে সৰস্বতীৰ।

প্ৰাথমিক পৰ্যায়ৰ চিন্তাত এনেদৰে ভবা হৈছিল যে ৰাজস্থান অঞ্চলত ক্ৰমে বৃদ্ধি হৈ অহা বালিয়ৰি অঞ্চলে বিশাল মৰুভূমিৰ ৰূপ লৈ এটা সময়ত গ্ৰাস কৰিছিল সৰস্বতীক। কিন্তু বৰ্তমান সময়ৰ অধ্যয়নে ইয়াৰ ওলোটা দিশ এটাহে প্ৰতিবিম্বিত কৰে। সৰস্বতী বৈ আহিছিল সু-উচ্চ হিমালয় গিৰিশৃংগৰপৰা। বিজ্ঞানীসকলে অনুমান কৰে যে সৰস্বতীৰ পানীৰ উৎস আছিল হিমালয়ৰ হিমপ্ৰবাহ। হিমালয়ৰ শৃংগত জমা হোৱা বিশাল পৰিমাণৰ তুষাৰকণাই গলিত ৰূপ লৈ নামি আহিছিল পাদদেশলৈ সৰস্বতী নাম ধৰি। কিন্তু খ্ৰীঃ পূঃ চাৰি হাজাৰমান বছৰ আগেয়ে কোনো বিশেষ প্ৰাকৃতিক ঘটনাৰ ফলস্বৰূপে লাহে লাহে হ্ৰাস পাইছিল হিমপ্ৰবাহৰ পৰিমাণ, যাৰ ফলত সৰস্বতীয়েও লাহে লাহে শীৰ্ণকায় ৰূপ ধাৰণ কৰিছিল। আৰু এদিন একেবাৰেই স্তব্ধ হৈ গৈছিল এই নদীৰ। সৰস্বতীৰ মৃত্যুৱে শুষ্ক কৰি পেলালে ৰাজস্থানৰ ভূমিভাগৰ, যাৰ ফলত তাত জন্ম হ'ল থৰ মৰুভূমিৰ। থৰে মৃত্যু ঘটোৱা নাছিল সৰস্বতীৰ, বৰং সৰস্বতীয়েহে জন্ম দিছিল থৰৰ। সৰস্বতীৰ মৃত্যুৰ কাৰণ হিচাপে বিজ্ঞানীসকলে আৰু এক প্ৰাকৃতিক ঘটনাৰ সম্ভাৱনীয়তা ঠাৱৰ কৰিছে। এই চাম বিজ্ঞানীৰ মতে, সৰস্বতীৰ মৃত্যুৰ আন এটা কাৰক হ'ব পাৰে ভূঁইকঁপ। তেওঁলোকৰ মতে, স্বাভাৱিক গতিৰে বৈ থকা সৰস্বতীৰ স্ৰোত হঠাতে বাধাপ্ৰাপ্ত হৈছিল ভূঁইকঁপৰ ফলত হোৱা ভূ-ভাগৰ উত্থানৰ বাবে নতুবা ভূস্খলনে সৰস্বতীৰ সন্মুখত তৈয়াৰ কৰা বাধাৰ প্ৰাচীৰৰ বাবে। বাধাপ্ৰাপ্ত হৈ পৰা সৰস্বতীৰ পানীভাগ নতুন পথৰ সন্ধানত সৰু-সুৰা জান-জুৰিৰ সৈতে মিলিত হৈ পৰিছিল আৰু সৰস্বতীয়ে তাৰ বিশালাকায় ৰূপৰ সলনি পৰিৱৰ্তিত হৈছিল কিছুমান সৰু-সুৰা নদ-নদীলৈ। বহুতে ক'ব খোজে যে পূৰ্বৰ স্ৰোত অনুসৰণ কৰি বৈ থকা ঘাগৰ সৰস্বতীৰে এটা শীৰ্ণকায় ৰূপ।

## সৰস্বতী বিতৰ্ক

সৰস্বতীৰ সৈতে বিতৰ্কৰ যেন এক এৰাব নোৱাৰা সম্পৰ্ক আছে। প্ৰথম বিতৰ্কৰ সূত্ৰপাত ঘটিছিল সৰস্বতীৰ অস্তিত্বক লৈ। ঋগবেদত বহুল বৰ্ণিত সৰস্বতী 'স্বৰ্গলোক'ৰ দৰে এক কাল্পনিক সংকল্পনা নেকি তাকে লৈ এক দীঘলীয়া অধ্যায়ৰ সূচনা হৈছিল। অৱশ্যে এই দীঘলীয়া অধ্যায়ে লাহে লাহে প্ৰতিষ্ঠিত কৰিছিল সৰস্বতীৰ অস্তিত্বক। তাৰ পিছতে আৰম্ভ হৈছিল বিতৰ্ক সৰস্বতীৰ মৃত্যুক কেন্দ্ৰ কৰি। সৰস্বতীৰ সম্ভাৱনীয় মৃত্যুৰ কাৰক হিচাপে ইয়াত যি দুটা তথ্য দাঙি ধৰা হৈছে, সেয়া শেষ কথা নহয়। সৰস্বতীক লৈ চলি থকা নিৰন্তৰ অধ্যয়ন-গৱেষণাই নিতৌ নতুন নতুন তথ্য উন্মোচিত কৰিবলৈ ধৰিছে। আৰু এই নিত্য-নতুন উন্মোচিত তথ্যই এতিয়াও সৰস্বতীৰ মৃত্যু বিতৰ্কক সজীৱ কৰি ৰাখিছে। সৰস্বতী বিতৰ্কৰ এটা দিশে অতি সংবেদনশীল ৰূপ লোৱা দেখা গৈছিল যেতিয়া সংঘ পৰিবাৰে হৰপ্পা সভ্যতাৰ সৈতে হিন্দুত্বক সামৰি ল'বলৈ চেষ্টা কৰিছিল। ঋগবেদ তথা বিভিন্ন আৱিষ্কৃত তথ্যসমূহৰপৰা এইটো অনুমান কৰা হয় যে সৰস্বতীৰ প্ৰৱহন তথা মৃত্যুৰ সময়ৰ সৈতে হৰপ্পাৰ সময় প্ৰায় একে। অৰ্থাৎ যি সময়ত সৰস্বতী বৈ আছিল সেই সময়তে হৰপ্পা সভ্যতাও প্ৰস্ফুটিত হৈ উঠিছিল। গতিকে সংঘ পৰিবাৰে বৰ্তমানে পাকিস্তানৰো অধিকাংশ জুৰি থকা হৰপ্পা সভ্যতাক হিন্দুসকলে সৃষ্টি কৰা এক মহান সভ্যতা বুলি দাবী কৰি অন্য এক বিতৰ্কৰ সূচনা কৰিছিল। আৰু স্বাভাৱিকতে সৰস্বতীও সাঙোৰ খাই পৰিছিল এই বিতৰ্কৰ সৈতে। এইটো অনস্বীকাৰ্য কাৰ্য যে সৰস্বতী হৈছে এনে এক মৃত নদীৰ নাম যাৰ সৈতে সম্পৃক্ত হৈ আছে ভাৰতবাসীৰ আৱেগ। হিন্দু ধৰ্মাৱলম্বী লোকৰ বাবে সৰস্বতী হৈছে অতিকৈ এক সংবেদনশীল বিষয়। সৰস্বতীক তেওঁলোকে পূজা কৰে আৰাধ্য দেৱী হিচাপে। গতিকে সৰস্বতীৰ অৱমাননাসূচক যিকোনো কাৰ্যই সহজে ক্ষোভিত কৰি তুলিব পাৰে তেওঁলোকক। তদুপৰি সৰস্বতীক লৈ চলা সুস্থ গৱেষণাত আকাংক্ষিত ফল লাভ নকৰা বাবে অহেতুক প্ৰশ্ন চিহ্ন তোলাটোও কোনো সুস্থ চিন্তাৰ পৰিচায়ক নহয়। সৰস্বতী আমাৰ ঐতিহ্য, প্ৰাচীন ভাৰতৰ ইতিহাস। ইয়াক সঠিক ৰূপত বিশ্ববাসীৰ আগত তুলি ধৰাটোৱেই আমাৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য।



ৰাজস্থানৰ থৰ মৰুভূমিৰ মাজেৰে বৈ যোৱা সৰস্বতী নদী বুলি বিশ্বাস কৰা ঘাগৰ নৈখন।